# নামঘৰ আৰু ভাগবতঘৰ ঃ অসম আৰু ওড়িশাৰ দুটি সামাজিক অনুষ্ঠান

**বৰ্ণালী ডেকা**
**পূব কামৰূপ মহাবিদ্যালয়**

অৱতৰণিকা ঃ

সমগ্ৰ ভাৰতবৰ্ষত বৈদিক যুগৰে পৰা ভক্তি আন্দোলনৰ ধাৰা প্ৰবাহিত হৈ আহিছে। । ভক্তি আন্দোলনৰ মূল হ'ল ভাগৱত ভক্তি। এই আন্দোলন পৰৱৰ্তী কালত বৈষ্ণৱ ভাৱাপন্ন হৈ নাথাকি শৈৱ, শাক্ত আৰু বৌদ্ধ তথা জৈন ভাৱনাৰে প্ৰভাৱিত হৈ পৰিল। অসমৰ শ্ৰীমন্ত শংকৰদেৱ দুবাৰকৈ তীৰ্থ ভ্ৰমণলৈ গৈ বৈষ্ণৱ ধৰ্মানুৰাগী ব্যক্তিৰ সান্নিধ্যলৈ আহি এই ধৰ্মৰ প্ৰতি আকৰ্ষিত হয় আৰু পৰৱৰ্তী সময়ত কৃষ্ণ ভক্তিৰ মাধ্যমত 'এক শৰণ নাম ধৰ্ম' নামৰ এক নতুন ভক্তি মাৰ্গ অসমত প্ৰতিষ্ঠা কৰিলে। ঈশ্বৰ অব্যক্ত; নিৰাকাৰ ভগৱানৰ এটা ৰূপ হৃদয়ত ধাৰণ কৰি, হৰি নাম শ্ৰৱণ-কীৰ্ত্তন কৰি মানুহে মুক্তি লাভ কৰিব পাৰে। সেয়া উপলব্ধি কৰি ভক্তি আন্দোলন সাফল্যমণ্ডিত কৰিবলৈ শংকৰদেৱে বিভিন্ন উপাদানৰ সহায় ল'লে।আনহাতে ভাৰতবৰ্ষত পূৰ্ববৰ্তীকালীন সময়ত প্ৰচাৰিত বিভিন্ন বৈষ্ণৱীয় মতবাদবোৰত ওড়িশাৰ উৎকলীয় বৈষ্ণবধৰ্মৰ ক্ষেত্ৰত কিছু স্বতন্ত্ৰতা আৰু নতুনত্ব পৰিলক্ষিত হয়। পঞ্চসখা যুগত জগন্নাথ দাসকে ধৰি আন চাৰি কবিয়ে তৎকালীন সমাজত প্ৰচলিত,প্ৰসাৰিত আৰু লুপ্তপ্ৰায় কোনো ধৰ্মৰে মতক গ্ৰহণ নকৰি সকলোৰে মত মিশ্ৰণ কৰি নতুন ধাৰণাৰে এক মতবাদৰ জন্ম দিলে । এই দৃষ্টিকোণৰ পৰা পঞ্চসখাকালীন স্বতন্ত্ৰ উৎকলীয় বৈষ্ণব ধৰ্মক 'পঞ্চসখাধৰ্ম" নামে পৰিচয় দিব পাৰি। এওঁলোকৰ আৰাধ্য দেৱতা হ'ল শ্ৰীজগন্নাথ।এই সময়তে পঞ্চকবিৰ অন্যতম জগন্নাথ দাসে ওড়িয়া ভাষাত সংস্কৃত ভাগবত অনুবাদ কৰাৰ লগে লগে ওড়িশাৰ ভক্তি আন্দোলনে অন্য মাত্ৰা লাভ কৰে। ১৬ শ শতিকাৰ আৰম্ভণিতে অসম আৰু ওড়িশাৰ ধৰ্মীয়,সাংস্কৃতিক,আৰ

সামাজিক জীৱনত সাংসঘাতিকধৰণে প্ৰভাৱিতকৰা দুটি অনুষ্ঠান  নামঘৰ আৰু ভাগবগতঘৰ বা ভাগবগত টুঙ্গি গঢ় লৈ উঠিছিল।

**নামঘৰ আৰু ভাগবতঘৰ বা ভাগবত টুঙ্গি ঃ এক উপাসনাগৃহ**

নামঘৰ হ'ল, ঈশ্বৰৰ গৃহ বা  ঘৰ। ইয়াত  'নাম' অৰ্থাৎ ঈশ্বৰৰ নাম বুজাইছে ।ঈশ্বৰৰ নাম-গুণ গোৱা। হেমকোষ অভিধানত আছে –নাম মানে গুণৰ খ্যাতি,যশস্যা, দেৱতাৰ গুণ গীত( পৃ: ৬০৭) নামঘৰ মানে- বিষ্ণুৰ গুণৰ গীত+ ঘৰ, এই দেশৰ বৈষ্ণৱবিলাকৰ উপাসনাৰ ঘৰ।আকৌ শৰাইঘাট অভিধানত আছে- নাম মানে অভিধা ,খ্যাতি আৰু নামঘৰ মানে  নাম-কীৰ্তন কৰা ঘৰ, অসমৰ বৈষ্ণৱসকলৰ সামূহিক ঈশ্বৰ উপাসনাৰ ঘৰ (পৃ: ৫৩৩)। আনহাতে 'কীৰ্তন' হ'ল বিশ্লেষণ বা আবৃত্তি বা গোৱা।ঈশ্বৰৰ নাম-গুণ গোৱা।অৰ্থাৎ ঈশ্বৰৰ নাম গুণ গোৱা ঘৰেই কীৰ্তনঘৰ। অসমীয়া জাতিৰ জাতীয় জীৱন বিপদাপন্ন হৈ পৰা সময়তে শ্ৰীমন্ত শংকৰদেৱৰ বৰদোৱাৰ আলিপুখুৰীত জন্ম হৈছিল। ধৰ্মীয় গুৰুৰ লগতে তেওঁ সাহিত্যক আৰু সাংস্কৃতিক গুৰুও আছিল। কৃষ্ণ ভক্তিৰ মাহাত্ম্য প্ৰচাৰৰ বাবে স্বসাহিত্যৰাজিৰ উপৰি নৃত্য-গীত-ভাওনাৰ সৃষ্টি কৰি সত্ৰ-নামঘৰ প্ৰতিষ্ঠা কৰি, বিভিন্ন স্হাপত্য-ভাস্কৰ্য, চিত্ৰকলা,বয়নশিল্পৰ যোগেৰে শংকৰী সংস্কৃতিৰ সৌধ নিৰ্মাণত ৰত হৈছিল। অসমত এই নৱ-বৈষ্ণৱ আন্দোলনৰ ফলশ্ৰুতিত ১৫ শ শতিকাৰ শেষৰ ফালে প্ৰতিষ্ঠিত হোৱা বিশিষ্ট ধৰ্মীয় অনুষ্ঠানটি নামঘৰ। ষোড়শ শতিকাৰ পৰা নামঘৰবোৰ অসমৰ সমাজ জীৱনৰ এক বিশিষ্ট অংগ। অসমীয়া লোকৰ ধৰ্ম চৰ্চা, ভাগৱত পাঠ, উৎসৱ পালনৰ কেন্দ্ৰ নামঘৰটি সামাজিক সমস্যা সমাধান, অৰ্থনৈতিক আলোচনা, ৰাজনৈতিক পৰ্যালোচনা, সংগীত চৰ্চা, সাহিত্য চৰ্চা, ভাওনা পৰিবেশন,নিত্য প্ৰসংগৰো কেন্দ্ৰ। গাঁৱৰ সমাজখন একত্ৰ হোৱাৰ সুযোগ নামঘৰেই যথাৰ্থতে দিছে। আধুনিক যুগৰ গণতান্ত্ৰিক পদ্ধতিৰ সমাজৰ ছবি নামঘৰে দিয়ে। বিৰিঞ্চি বৰুৱাই সেয়ে কৈছে, "নামঘৰ অসমৰ জাতীয় নাটশাল"।ই গ্ৰাম্য আদালত,যদিও ন্যায়িক কৰ্তৃত্ব বা অধিকাৰ কাৰো নাই। অসমৰ হিন্দু সমাজত নামঘৰ নথকাকৈ এখন গাঁৱলীয়া সমাজৰ কল্পনা কৰিব

নোৱাৰি। শংকৰদেৱৰ পূৰ্ববৰ্তী সময়ছোৱাত কোনোধৰণৰ ৰাজহুৱা স্থান নাছিল য'ত বিভিন্ন জাতি-ধৰ্মৰ মানুহে একেলগে বহিব বা আলোচনাত মিলিত হ'ব পাৰিছিল।সাম্প্ৰদায়িক ঐক্য প্ৰতিষ্ঠা কৰাত গুৰুত্ব প্ৰদান কৰা শংকৰদেৱৰ ইচ্ছাতে পিতৃ কুসুম্বৰৰ সৰিয়হ-তলীত প্ৰতিষ্ঠা কৰা কীৰ্তন বা নামঘৰ সজোৱা হ'ল যদিও পাছলৈ ইয়াতে কুটুম্বসকলৰ বাসাঘৰ বা ভক্তৰ নিবাস সজাই তিনি প্ৰসংগৰ কথা শুনি সকলোৱে সুখত থাকিল।এয়াই শংকৰদেৱৰ হৰিগৃহ বা নামঘৰ তথা সত্ৰসবা গঠন কৰাৰ আৰম্ভণি বুলি কথা গুৰু চৰিতত পোৱা যায়। হৰিৰ কথা চৰ্চা কৰিবলৈ অৰ্থাৎ হৰিৰ বিষয়ে আলোচনা বা উপাসনা কৰিবলৈকে অসমত শ্ৰীমন্ত শংকৰদেৱে টেম্বুৱানীত 'হৰিগৃহ' মানে প্ৰথম নামঘৰ সজাইছিল আৰু এই হৰিগৃহৰ সমুখৰ খলাত 'চিহ্নযাত্ৰা' ভাওনা অনুষ্ঠিত কৰিছিল আৰু প্ৰথমবাৰ শিষ্যৰ দল এটি শৰণ দিছিল। ।ইয়াৰ পাছতে শংকৰদেৱে ধুৱাহাট-বেলগুৰিত দ্বিতীয় নামঘৰটি স্হাপন কৰে।সকলো ধৰ্ম,জাতি, বৰ্ণ, সম্প্ৰদায়ৰ মানুহৰ বাবে এই অনুষ্ঠানৰ দুৱাৰ মুকলি আছিল। সেইসময়ৰ কামৰূপৰ বিভিন্ন জাতি-জনজাতি একত্ৰ কৰি নামঘৰ বা হৰিগৃহত থলুৱা আকৰ্ষণীয়লোক কৃষ্টিৰ আলমত মানসিক উৎকৰ্ষ প্ৰদান কৰি অসমৰ সংস্কৃতিৰ পথাৰ সাৰুৱা কৰিছিল।কঠিন ধৰ্মৰ তত্ব কথা অনাখৰী মানুহক বুজাবলৈ নাম-কীৰ্তন,গীত-বাদ্য-ভাওনা,সাহিত্য ৰচনা কৰি সমন্বয়ৰ সংস্কৃতিৰে সকলো শ্ৰেণীৰ মন আকৰ্ষণ কৰি পৰম জনক লাভৰ পথ দেখুৱালে। নামঘৰ দুই প্ৰকাৰৰ-সত্ৰ নামঘৰ আৰু গ্ৰাম্য নামঘৰ। এখন সত্ৰৰ মূল বিন্দু হৈছে নামঘৰ। নামঘৰটিক কেন্দ্ৰ কৰি চাৰি হাটী সজা হয়, য"ত সত্ৰৰ অধিকাৰ, ডেকা অধিকাৰ,ভকত আদি বাস কৰে। এই নামঘৰ ডাঙৰ আৰু সুসজ্জিত হয়।ইয়াক সত্ৰীয়া কৃষ্টিৰ আখৰাগৃহ আৰু বিদ্যালয় বোলা হৈছে। আনহাতে সত্ৰৰ নামঘৰৰ আৰ্হিত গাঁৱত সজা নামঘৰ হৈছে গ্ৰাম্য নামঘৰ। ই নিজেই এটি অনুষ্ঠান সদৃশ।অসমৰ উজনি আৰু নামনিত এই দুই নামঘৰৰ কাম-কাজৰ ক্ষেত্ৰতো পাৰ্থক্য পৰিলক্ষিত হয়। ভক্তসকলৰ ধৰ্মচৰ্চা আৰু বাস কৰা কেন্দ্ৰই সত্ৰ। নামঘৰক কীৰ্তনঘৰ বুলিও জনা যায়। উজনি অসমত সাধাৰণতে নামঘৰ আৰু নামনি অসমত কীৰ্তনঘৰ বুলি কোৱা এই প্ৰাৰ্থনাগৃহটি অসমীয়া সমাজৰ ধৰ্মীয় তথা

আধ্যাত্মিক উপাসনাৰ লগত জড়িত। সকলো ধৰ্ম,জাতি, বৰ্ণ, সম্প্ৰদায়ৰ মানুহৰ বাবে এই অনুষ্ঠানৰ দুৱাৰ মুকলি থকা এই নামঘৰক দেৱমন্দিৰ বুলি ধৰা হয়। অসমত মধ্যযুগৰ আগে-পাছে শিলেৰে মন্দিৰ নিৰ্মাণ কৰা হৈছিল। পৰৱৰ্তীকালত স্থাপত্য-ভাস্কৰ্য্যৰ চৰ্চা লোপ পাবলৈ ধৰে। আনহাতে আহোম সকল অসমলৈ অহাৰ পাচত বাঁহ-বেত-খেৰ,কাঠ আদি স্থানীয় উপাদানৰ ব্যৱহাৰ বৃদ্ধি পাবলৈ ধৰে। নামঘৰৰ মূল ঘৰটি নিৰ্মাণত মন্দিৰ নিৰ্মাণৰ গাঠনিৰ প্ৰভাৱ পৰিলক্ষিত হয় যদিও বাঁহ-বেত-কাঠ-খেৰ আদিৰ দ্বাৰা নামঘৰ নিৰ্মাণত গুৰুত্ব দিয়া দেখা গৈছিল। স্বকীয় বৈশিষ্ট্যসম্পন্ন স্থাপত্য কলাই অসমৰ সত্ৰ-নামঘৰ নিৰ্মাণত স্বাক্ষৰ বহন কৰিছে। প্ৰাচীন অসমৰ মন্দিৰবোৰত প্ৰথমে তোৰণ, নাট-মন্দিৰ, গোপুৰম আৰু গৰ্ভগৃহ অংশ দেখা যায়। গৰ্ভগৃহৰ ওপৰত শিখৰ থাকে। নামঘৰৰ নিৰ্মাণ শৈলীৰ লগত ইয়াক ৰিজাব পাৰি। আজিকালি দৌলৰ আৰ্হিত ওপৰত কলচী দি শিখৰ ভাগটি তৈয়াৰ কৰা দেখা যায়।সকলোতকৈ গুৰুত্বপূৰ্ণ আৰু ডাঙৰ অংশটি হৈছে নামঘৰটি। ভকতৰ সংখ্যানুযায়ী নামঘৰটি সৰু বা ডাঙৰ কৰা হয়। নামঘৰত তিনি, পাঁচ,সাত এনেদৰে অযুগ্ম সংখ্যাৰ কোঠা ৰখা হয়। শেষৰ ফালৰ পশ্চিমৰকোঠাটি টুপ ভাঙি সজা হয়।অসমৰ গ্ৰামাঞ্চলত থকা নামঘৰবোৰৰ চাৰিটা অংশ থাকে--- মণিকুট, নামঘৰ বা কীৰ্তনঘৰ, ছোঁঘৰ আৰু বাটচ'ৰা। কেতিয়াবা আৰ্থিক অৱস্থালৈ গুৰুত্ব দি কেবল নামঘৰটিহে নিৰ্মাণ কৰা হয়। নামঘৰ আৰু মণিকুট থকাটো প্ৰয়োজনীয় কথা। প্ৰধান নামঘৰ বা কীৰ্তন ঘৰ পূবা-পশ্চিমাকৈ নিৰ্মাণ কৰা হয়। নামঘৰৰ পূবৰ কোঠালিটোত লগাই উত্তৰা-সক্ষিণাকৈ মণিকুট সজা হয়। নামঘৰটিৰ শেষৰ ফালে দক্ষিণ-পশ্চিম চুকত ছোঁঘৰ সজা হয় আৰু নামঘৰলৈ সোমোৱা  পদূলিমুখতে বাটচ'ৰা তৈয়াৰ কৰা হয়। নামঘৰৰ প্ৰধান খুটাক লাইখুটা বোলা হয়। মণিকুটত থাপনা আৰু নামঘৰ প্ৰয়োজনীয় সামগ্ৰী থোৱা হয় বাবে তাত বেৰ দি দুৱাৰ এখন দি লোৱা হয়। বাকী অংশত বেৰ নিদিয়াৰ কাৰণ হ'ল ভকতে গোৱা নামৰ প্ৰতিধ্বনি দূৰলৈকে শুনিবলৈ।।বৰ্তমান অসমত ৩৫,০০০ টা গ্ৰাম্য নামঘৰ আছে বুলি পুলিন কলিতাদেৱে তেখেতৰ গ্ৰন্হত উল্লেখ কৰিছে।

ষোড়শ শতিকাৰ পঞ্চসখা যুগৰ ওড়িয়া কবিসকল বৈষ্ণৱবাদৰ উৎকলীয় ৰূপ পাঁচজন কবিৰ ভিতৰত জগন্নাথ দাস অন্যতম।তেওঁৰ ওড়িয়া ভাগৱতখন হিন্দু জীৱনশৈলীৰ এৰাব নোৱাৰা ধৰ্মীয় দলিল।তেনে সময়ত পঞ্চসখাৰ কবিসকলে পদ আৰু গদ্যত ধৰ্মীয় ভাৱনাবোৰ ৰাইজৰ মাজলৈ আনিলে।যদিও ওড়িশাৰ গ্ৰামাঞ্চলত সম্পূৰ্ণ ভাগৱত উপাসনা কৰিবলৈ বা এঘৰ মানুহ জানিবলৈ বা পঢ়িবলৈ বা শুনিবলৈ নাছিল। যিসময়ত সমাজখন দুগুণ বেগত আগুৱাই গৈছে আধুনিকতাৰ পথত।আনহাতে জগন্নাথ দাসে ওড়িয়া ভাগৱত ৰচনা কৰি ওড়িশাবাসীক সংস্কৃত ভাগৱতৰ সোৱাদ দিবলৈ চেষ্টা কৰিলে। আনহাতে ভাগৱত টুঙ্গি বা ভাগৱত ঘৰত শ্ৰৱণৰ দ্বাৰা ভাগৱতৰ সাংস্কৃতিক জাগৰণ আনে ।য'ত ভাগৱতখন শুনিবলৈ, আবৃত্তি কৰিবলৈ সমাজৰ সমুখত গাওঁৰ মাজত সেয়া ভাগৱত টুঙ্গি। জগন্নাথ দাসৰ মাক পদ্মাৱতীয়ে প্ৰতিদিন ভাগৱত পাঠ শ্ৰৱণৰ বাবে জগন্নাথ মন্দিৰলৈ যাব লগীয়া হৈছিল। তেওঁ সদায় মুদ্ৰা দিব নোৱাৰাত পুৰাণ হাটত সোমোৱাত বাধা প্ৰদান কৰা হৈছিল। বন্ধু দিবাকৰ দাসে এজন পণ্ডিত হিচাপে জগন্নাথ দাসক সংস্কৃতৰ পৰা ভাগৱতখন ওড়িয়া ভাষালৈ অনুবাদ কৰি এনেধৰণৰ পাঠকৰ বাবে সুবিধা কৰিব পাৰে বুলি অনুৰোধ কৰে।সিদিনাই অইন কোনো কথা চিন্তা নকৰি জগন্নাথ দাসে অনুবাদৰ কাম আৰম্ভ কৰে। এইখন ভাগবত ওড়িশাবাসীয়ে নিজে সকলোতে পঢ়িব পৰা হ'ল।জগন্নাথ দাসেই ওড়িসাত সাংস্কৃতিক জাগৰণ আনিছিল আৰু তেওঁৰ ভাগৱতখন ভাগবতঘৰ বা ভাগবত ঘৰত পঠিত হেৱাৰ ব্যৱস্হা কৰি দিছিল। কঠিন সংস্কৃত লিখিত দৰ্শন আৰু ধৰ্মশাস্ত্ৰবোৰ ওড়িয়াভাষাত ৰচিত হোৱাৰ পাচত জনপ্ৰিয়তা লাভ কৰিলে; সেইবোৰ গাঁৱে গাঁৱে ভাগৱত ঘৰ, ভাগৱত টুঙ্গি, মঠ, চউপাঢ়ী আদি অনুষ্ঠান গঢ়ি উঠিল। নিতৌ সন্ধিয়া ভক্তসকলে এই অনুষ্ঠানত ভাগৱত,ৰামায়ণ,হৰিবংশ ইত্যাদি পাঠ কৰা হয় বাবে গাঁওবাসী প্ৰতিদিনে সন্ধিয়া ইয়াত একত্ৰ হোৱাৰ সুযোগ পালে।আৰু খণ্ড-বিখণ্ড হৈ থকা ওড়িয়া জাতিক ঐক্যবদ্ধ হোৱাৰ প্ৰেৰণা যোগালে।টুঙ্গি, ঘৰ আদি স্হানত ৗড়িয়া ভাগৱত, ৰামায়ণ,মহাভাৰত ইত্যাদি পবিত্ৰ গ্ৰন্হ পঢ়িত হোৱাৰ ফলত লোকসকলে ইয়াৰ সুমধুৰ পদাৱলী আৰু সৰল ভাষাৰ প্ৰতি আকৃষ্ট হৈ

পৰিল। মাতৃভাষাত গ্ৰন্থবোৰ সহজলভ্য হোৱাত আৰু লোকপ্ৰিয়তা বাঢ়ি যোৱাৰ বাবে অমূল্য গ্ৰন্থবোৰৰ পাঠ কৰাৰ অভিলাস মানুহৰ মনলৈ আহিল।লগে লগে ওড়িশাত সাক্ষৰতাৰ সংখ্যা বংগদেশতকৈ বৃদ্ধি পালে বুলি কোৱা হৈছে।পঞ্চসখাই সাহিত্যৰ দ্বাৰা সমাজৰ ভেদভাৱ আঁতৰাবলৈ চেষ্টা কৰিছিল।জগন্নাথ দাসে কৈছে---" সকল ঘটে নাৰায়ণ।

বসন্তি অনাদি কাৰণ।।" ( ১০/৩)

অতিবাদী জগন্নাথ দাস ১৪৯০ চনত পুৰী চহৰৰ পৰা তিনি কিলোমিটাৰ আঁতৰৰ এখন গাঁৱত জন্ম লাভ কৰে। তেতিয়া তেওঁ ৪১ বছৰ শংকৰদেৱতকৈ সৰু আছিল।দেউতাক ভগবান দাস জগন্নাথ মন্দিৰত পুৰাণ (পুৰাণ পণ্ডা) পাঠ কৰিছিল আৰু মাকৰ নাম আছিল পদ্মাৱতী দেৱী । ৫ বছৰ বয়সত ওচৰৰ পাঠশালাত নাম লগাই দিয়াৰ পাছৰে পৰা দাস বিভিন্ন ব্যাকৰণ ন্যায় শাস্ত্ৰ,ৰামায়ণ,মহাভাৰত যজৰ্বেদ, বেদ-বেদান্ত পাৰ্গত হৈ উঠিল।সংস্কৃত ভাষাত লিখা সকলো শাস্ত্ৰৰ অধ্যয়ন তেওঁ ওঠৰ বছৰতে শেষ কৰিছিল। সমগ্ৰ ওড়িশাতে জনপ্ৰিয় হৈ পৰা জগন্নাথ দাসে জগন্নাথ মন্দিৰৰ সমুখত থকা বট গণেশৰ সমুখত পাঠ কৰি ৰাইজক শুনাবলৈ বুলি ভাগবতখন ওড়িআ ভাষালৈ ১৫১০ চনত লিখি শেষ কৰিছিল। গতিকে খুব কম সময়ৰ ভিতৰতে ১৯ বছৰ বয়সতে তেওঁ ভাগবত ঘৰ স্থাপনৰ চিন্তা কৰি সফল হৈছিল।এইক্ষেত্ৰত নামঘৰ আৰু ভাগবত ঘৰৰ জন্ম প্ৰায় সমসাময়িক।জগন্নাথ মন্দিৰৰ মুক্তি মণ্ডপৰ ব্ৰাক্ষণসকলে ওড়িআ ভাগবতখনক 'তেলী ভাগবত' বুলি কৈছিল। ধাৰ্মিক ক্ষেত্ৰত হয়তো গজপতি ৰাজবংশই সংস্কৃতৰ সলনি ওড়িআ ভাষাক মানি লোৱা নাছিল । কিন্তু সকলো ৰজাই সংস্কত নাজানিছিল বাবে ব্ৰাক্ষণসকলৰ সহায় লৈছিল। গতিকে ব্ৰাক্ষ্মণসকলে মাতৃভাষাত ধৰ্মীয় কথা শুনাটোত গুৰুত্ব নিদি তেওঁলোকৰ স্থান আনে লৈ যাব বুলিয়েই ১৫-১৬শ শতিকাত স্থানীয় ভাষাত লিখা ওড়িআ ভাগবত বা অন্যান্য অনূদিত কামৰ প্ৰতি আগ্ৰহ দেখুওৱা নাছিল।শংকৰদেৱেও ব্ৰাক্ষ্মণসকলৰ বাবে আহোম ৰজাৰ ৰোষত পৰিবলগীয়া হৈছিল।অৱশ্যে ব্ৰাক্ষ্মণসকল ভাগবতঘৰৰ মুখ্যভূমিকাত অৱতীৰ্ণ হৈছিল।মাৰাঠা শাসনকালত গাঁৱৰ ভাগবত ঘৰত

ভাগবত গড়ীৰ সৈতে থকা ভাগবত পাঠ কৰা হৈছিল আৰু জগন্নাথ,বলভদ্ৰ,সুভদ্ৰাকো উপাসনা কৰিছিল ।ওড়িআ ভাগবত থোৱা আসনত তালপাতত লিখা ভাগবত খন পূজা কৰিবলৈ প্ৰতি ওড়িআ ভকতৰেই ভাগবত ঘৰ আছিল ।বৈষ্ণৱ আন্দোলনৰ সময়ছোৱাতে প্ৰতিখন ওড়িআ গাঁৱতেই ভাগবত ঘৰ স্হাপন কৰা আৰু ওড়িআ ভাগবত প্ৰতি সন্ধ্যাপাঠ কৰা দূৰৈৰ পৰাই শুনা গৈছিল। “এই পুথি থৰলৈ থাপনা বা সিংহাসন বা গদি আছিল।–জগন্নাথ দাসৰ তালপাতত লিখা ১১ টি অধ্যায়ৰ সমষ্টি ওড়িআ ভাগবতখন কেইজনমান মানুহ একেলগ হৈ বহি পাঠ শুনা ঘৰটিৰ পৰাই ভাগবতঘৰ নামটি আহিছে ( কৌৰ : ২০১৪: ৬৯) ।According to M. Mansinha , at the end of the every Oriya village must be a temple with a tank for general purpose and at the other a ‘Bhagabata ghara’ the home of the Oriya Bhagabata, the Bible of the Odiya peasants.”’ ( Mansinha : 2010 :24 )

ওড়িয়া সংস্কৃতিৰ এৰাব নোৱাৰা অংগ হৈছে ভাগবত টুঙ্গি বা ভাগবত ঘৰ। প্ৰতিখন গাঁওত থকা এই টুঙ্গি বা ঘৰে সমাজখনৰ লোকসকলৰ চাৰিত্ৰিক গঠনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। পুৰণি কালত সন্ধিয়া সময়ত দৈনন্দিন ৰুটিন ,সমস্যাদি পাহৰি গাঁওবাসীয়ে ঈশ্বৰৰ ৰহস্য জানিবলৈ এটি স্হানত একত্ৰ হৈছিল । সৰহভাগ ওড়িয়া গাওঁত থকা ভাগৱত ঘৰক ভাগৱত টুঙ্গি বুলিও জনা যায়।এইটো সত্য যে, ইয়াত যুৱক, বৃদ্ধ, মহিলা অশিক্ষিত সকলোৱে একগোট হৈ ভাগৱত পঢ়া, শুনা আৰু আলোচনাৰ পাচত সিদ্ধান্তলৈ অহা কাৰ্য সাধিত কৰে। “ভাগবত টুঙ্গি নামৰ গ্ৰামাঞ্চলৰ কেন্দ্ৰত স্হিত ঘৰত সাধাৰণজন বহি একেলগে ওড়িয়া ভাগৱত পাঠ বা আবৃত্তি শুনে”।(কৌৰ: ২০১৪: ৬৯)।প্ৰথমতে ওড়িশাৰ এই ভাগবত ঘৰত ধৰ্মীয় উদ্দেশ্য সফল হৈছিল যদিও পৰৱৰ্তী সময়ত গ্ৰামীণ ৰাইজৰ ৰাজনৈতিক,সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, বিচাৰ আদি দিশৰো আলোচনা আদি কৰাৰ বিকশিত হ’ল।

ভাগৱত গ্ৰন্হ পাঠকৰি পুণ্য আৰু জ্ঞান অৰ্জনৰ নিমিত্তে ; শ্ৰৱণৰ দ্বাৰা পূণ্য অৰ্জনৰ মোহ এৰিব নোৱাৰি গাঁৱে গাঁৱে ভাগৱত ঘৰ, ভাগৱত টুঙ্গি, মঠ,চউপাড়ি ইত্যাদি অনুষ্ঠানে মূৰ দাঙি উঠিল। প্ৰতি সন্ধ্যা ভাগৱত পাঠ চলিল।

প্ৰতিদিন ভাগৱত ঘৰত একত্ৰ হোৱা ঘটনাই তেওঁলোকক ঐক্যৱদ্ধ হোৱৰ প্ৰেৰণা যোগালে।ভাগৱতৰ সুনিপুণ ছন্দমাধুৰীয়ে ওড়িশাৰ জনমানসত ভাগৱতৰ লোকপ্ৰিয়তা সম্বন্ধত মন্তব্য "প্ৰত্যেক গ্ৰামৰে মন্দিৰ থিলা, ভাগৱত পোথি পূজা, পাৰায়ণ হেউথিলা। চাহালিৰে পিলামানঙ্কৰ ভাগবত প্ৰধান পাঠ্যপুস্তক থিলা।যেউ পিলা অধ্যায়ে ভাগবত বোলিপাৰিলা তাৰ বিদ্যা শেষ হেউথিলা। লোকৰ আসন্ন মৃত্যুবেলে তাহাৰ পুত্ৰপৌত্ৰাদি কৌনসি আত্মীয় স্বজন তা কানৰে অধ্যায়ে ভাগবত শুণাউথিলে। গ্ৰামৰে বিসূচিকা, মাৰীভয় প্ৰভৃতি উপদ্ৰব হেলে ভাগবত পাঠ, হৰিহাট, সপ্তাঙ্গ ভাগবত আদি হেউথিলা।ভাগবত পাঠ হেলে গ্ৰামৰু কালভয় দূৰ হেউথিলা বোলি লোকঙ্কৰ পূৰ্ণ বিশ্বাস থিলা।অনেক লোকঙ্কৰ সকালে স্নানপৰি সন্ধাবেলে ভাগবতপাঠ কৰিবা নিত্য নৈমিত্তিক কাৰ্য থিলা।…ওড়িয়া ভাগবত অমৃত ৰস সাগৰৰে উবেই টুবেই হেলাপ্ৰায় জণাযাএ।" অৰ্থাৎ প্ৰতিখন গাঁৱতেই মন্দিৰ আছিল, ভাগবত পুথি পূজা, পুৰাণ পাঠ হৈছিল। পাঠশালাত ছাত্ৰবোৰৰ ভাগবত প্ৰধান পাঠ্যপুথি আছিল। যিজন ছাত্ৰই এক অধ্যায় ভাগবত পঢ়িব পাৰিছিল তাৰ বিদ্যাশিক্ষা সম্পূৰ্ণ হৈছিল।কোনো লোক মৃত্যুৰ দুৱাৰ দলিত থাকিলে তেওঁৰ পুত্ৰাদিয়ে ,কোনো আত্মীয় –স্বজনে তেওঁৰ কাণৰ ওচৰত এক অধ্যায় ভাগবত পঢ়ি শুনাইছিল।ভাগবত পাঠ কৰিলে গাঁৱৰ পৰা কালভয় দূৰ হৈছিল বুলি মানুহবোৰৰ পূৰ্ণবিশ্বাস আছিল। বহু মানুহৰ পুৱা স্নানৰ পাছত আৰু সন্ধ্যা সময়ত ভাগবত পাঠ কৰা নিত্য নৈমিত্তিক কাৰ্য আছিল।…ওড়িআ ভাগবত অমৃত ৰসৰ সাগৰত হাবু-ডুবু খালেহে জানিব পৰা যায়।" ('প্ৰাচীন উৎকল' জগবন্ধু সিংহ, কটক, পৃ: ১২৪-২৫)

"শুন শুন শ্ৰোতাগন কৰি নিবেদন।
প্ৰথমে হইতে গ্ৰন্থ লেখিলু আপন।।
দশমেৰ শেষখণ্ড বাখা ন পাইল
অনেক ত পাশি গ্ৰামে গ্ৰামে বেড়াইল।
এ হেতু উৎকল ভাষা কৰিল লিখন।।
জগন্নাথ দাসকৃত অপূৰ্ব বৰ্ণন ।।

( শুনা শুনা শ্ৰোতাগণ কৰোঁ নিবেদন। প্ৰথমবাৰ নিজে গ্ৰন্থ লিখিলোঁ।দশমৰ শেষখণ্ড ব্যাখ্যা কৰিব নোৱাৰিলোঁ।বহু ঠাই গৈ গাওঁবোৰত সোমাল। এইবাবেই উৎকল ভাষাত কৰিলোঁ লিখন।। জগন্নাথ দাসে কৰা এয়া অপূৰ্ব বৰ্ণন।।)

। 

বৰ্তমানেও ওড়িশাৰ বিভিন্ন গাঁৱত আৰু ব্যক্তিগত গৃহত ভাগৱত টুঙ্গিৰ অৱশেষ দেখিবলৈ পোৱা যায়, তাত প্ৰতি সন্ধিয়া ভাগৱত পৰায়ণ বা আবৃত্তি হয়। অতিবাদীলৈ ধন্যবাদ জ্ঞাপন কৰি গাঁৱৰ প্ৰতিঘৰত বিভিন্ন সময়ত ওড়িয়া ভাগৱত পাঠ কৰা হয়। আনকি প্ৰাকৃতি দুৰ্যোগ -খৰাং, ধুমুহা, বানপানী, সাগৰীয় ধুমুহা আদিত ঈশ্বৰক চিন্তা কৰিও পাঠ কৰা হয়। এই পাঠে গাঁওবাসীক বিপদৰ সময়ত উৎসাহ, প্ৰেৰণা দি বিৰুদ্ধ প্ৰকৃতিৰ সৈতে যুজিঁবলৈ সাহস দিয়ে বুলি বিশ্বাস কৰে। ভাদ মাহৰ পূৰ্ণিমা তিথিত ভাগৱত পাঠ আৰম্ভ কৰি ভাগৱত জন্ম দিনৰ আগদিনা শেষ কৰে।  ভাদ মাহৰ পূৰ্ণিমাৰ দিনটি তেওঁলোকে ভাগবত জন্ম হোৱা দিন বুলি ধৰি লৈছে।। এনে বছৰেকীয়া শৃংখলা প্ৰায়বোৰ ওড়িশাৰ গাওঁত আছে। এই ঘৰ বা টুঙ্গিত ভাগবত পাৰায়ণ( আবৃত্তি) আৰু প্ৰবচনৰো আয়োজন কৰা হয়। ( bhagavat tungi is a place where villagers converged in the evenings to discuss on religious issues or listen from the sacred bhagabata and other texts)|। পৰৱৰ্তী সময়ত আৰ্থিক অনাটনৰ বাবে টুঙ্গিবোৰ অবহেলিত হৈ পৰিল।কিন্তু সাম্প্ৰতিক প্ৰবাহত ওড়িশাৰ চৰকাৰে সাময়িকভাবে অৰ্থসাহায্য দান কৰি ভাগবত টুঙ্গিৰ গুৰুত্ব বুজি ২০১৪ খ্ৰী:ত এইবোৰক জীয়াই তুলিবলৈ অঙ্গীকাৰ কৰিছে ।

**নামঘৰ আৰু ভাগবতঘৰৰ উদ্দেশ্য ঃ**

অসমৰ নামঘৰৰ মুখ্য উদ্দেশ্য “ কলা-কৃষ্টিৰ জৰিয়তে প্ৰকৃত শুদ্ধ-সত্ব মানৱ ধৰ্ম প্ৰচাৰ কৰি জনমানসত প্ৰৱৰ্তন হৈ থকা উচ্চ-নীচ,জাতি-অজাতি, ধনী-দুখীয়াৰ ভেদাভেদ দূৰ কৰি এখন সুখময় সমাজ ৰচনা কৰা। নামঘৰ নিৰ্মাণ কৰা হ'ল বিষ্ণুৰ পদচিহ্নৰ আকৃতিৰ টুপটি ঘূৰণীয়া চালৰ তলত বাৰ বৈষ্ণৱৰ নামৰ বাৰটি মূল খুঁটা আৰু ছজন ভক্তৰ নামত ছটি চ'তিৰে বৈকুন্ঠ” ( ভূঞা : ২০০১ : ০৫)। পুলিন কলিতাদেৱে নামঘৰৰ ছয়টা উদ্দেশ্য ঠাৱৰ কৰা বুলি উল্লেখ কৰিছে,

ক) উপাসনাথলী

খ) গ্ৰাম্য আদালত

গ) গ্ৰাম্য সংসদ

ঘ) সাংস্কৃতিক কেন্দ্ৰ

ঙ) প্ৰেক্ষাগৃহ। ( কলিতা : ২০১৮: ০৫)

শংকৰদেৱৰ ধৰ্মমতত শিষ্যত্ব প্ৰদানৰ ব্যৱস্থা নাছিল, তেওঁৰ মতে ভগৱানৰ চৰণত ভক্তই শৰণ ল'ব লাগে।নামঘৰৰ ভূমিকা উপাসনাস্থলী হিচাপে প্ৰথমতেই আধ্যাত্মিক, তাৰপাছত সামাজিক আৰু লগত সাংস্কৃতিক।

১৪৪৯ চনত বৰদোৱাত জন্ম হোৱা কুসুম্বৰ ভূঁঞা আৰু সত্যসন্ধাৰ পুত্ৰ শংকৰদেৱে ১৩ বছৰ বয়সত পঢ়া-শুনা আৰম্ভ কৰি হিন্দু ধৰ্মৰ সকলো পুথি অধ্যয়নেৰে পাণ্ডিত্য দেখুৱাব পাৰিছিল। সম্ভৱত ১৪৮১ চনত ৩২ বছৰ বয়সত পত্নীৰ মৃত্যুৰ পাছত ১২ বছৰৰ বাবে তীৰ্থ ভ্ৰমণলৈ গৈছিল। ১৭ জন আন অনুৰাগীৰ সৈতে বৈষ্ণৱ ধমৰ্ৰ সকলো মুখ্য স্হান জগন্নাথ মন্দিৰকে ধৰি দৰ্শন কৰি বহু বছৰ জগন্নাথ ধামত থাকি ব্ৰক্ষ্ম পুৰাণ অধ্যয়ন কৰি তাম্বুৱানীলৈ উভতি আহি নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কামত আগবাঢ়ে।তেওঁ অনুভৱ কৰিলে যে, ধৰ্মীয় বৈঠকৰ বাবে ৰাজহুৱা স্হানৰ অভাৱ আৰু ফলস্বৰূপে ১৫০৯ চনত টাম্বুৱানীত নামঘৰৰ জন্ম হ'ল।ওড়িশাৰ নিচিনা নামঘৰো সামাজিক-ধৰ্মীয় তথা সাংস্কৃতিক কেন্দ্ৰ হৈ পৰিল।সামাজিক অনুষ্ঠান, উৎসৱ আদিৰ লগতে অৰ্থনৈতিক,ৰাজনৈতিক আলোচনা

আদিও কৰিবলৈ ললে। “গুৰুজনে জনজাতিৰ মুৰংঘৰ আৰু বৌদ্ধসকলৰ ধৰ্ম মন্দিৰৰ সমন্বয় সাধি উদ্ভাৱন কৰিলে নামঘৰ” ( মহন্ত : ২০০১: ৪-৫) ।এই মন্তব্য আবেগপূৰ্ণ বুলি কোৱা হৈছে সত্ৰ প্ৰশাসনত চাৰিটা বিভাগৰ ভিতৰত এটি হ’ল নামঘৰ । এই নামঘৰত ধৰ্মীয় অনুষ্ঠান চলাবলৈ বৰ ভাগবতী, বৰনামলগোৱা নামে দুজন প্ৰধান আৰু দুৱলীয়া ভাগতী, পালি ভাগতী, সৰু নামলগোৱা, পাঠক,নটুৱা, গায়ন,বায়ন ,সূত্ৰধাৰ আদি বিষয়ববীয়াই বিভিন্ন নিত্য-নৈমিত্তিক কাৰ্য সম্পন্ন কৰিবলৈ প্ৰয়োজন হয়। ( কলিতা: ২০১৮: ৪৫)

১৬শ শতিকাৰ মাজভাগত এই  ধৰ্মীয় তথা সামাজিক অনুষ্ঠানৰ অন্তৰঙ্গ কাউন্সিল হিচাপে গাওঁবোৰত পঞ্চায়ত গঢ়ি উঠিল। গাঁৱৰ এই পঞ্চায়ত আছিল ভাগবতঘৰৰ কাৰ্যকৰী শাখা, যিয়ে গাঁওখনৰ শাসনব্যৱস্থালৈ চকু ৰাখিছিল আৰু আনুপাতিক ৰূপ দি ইয়াক ভাগ কৰিছিল। গাঁৱৰ সাংবিধানিক শাখা হিচাপে সম্পূৰ্ণ শাসনব্যৱস্থা চাবলৈ মুখ্য কাৰ্যকৰী সংস্থা হ’ল পঞ্চায়ত, একেবাৰে ওপৰত মুখ্য পঞ্চায়ত বা ন্যাব পঞ্চায়ত থাকে। পঞ্চায়তৰ সদস্য নিৰ্বাচনৰ বাবে ভাগবতঘৰত এখনি বিশেষ সভা আহ্বান দিয়া হয়।সাধাৰণতে উচ্চ বিচাৰ বুদ্ধিৰ গাঁৱৰ জ্যেষ্ঠ লোকক ইয়াৰ সদস্যৰ বাবে নিৰ্বাচন কৰা হয়। তেওঁলোকৰ মাজৰ পৰা গুণীজনক মুখ্য পঞ্চায়ত বাচনি কৰি লোৱা হয়।কিন্তু অসমৰ নিচিনা ই সিমান সুবিধাজকভাৱে সমাজৰ উন্নতিত হাত দিব পৰা নাছিল।পাছলৈ প্ৰায়বোৰ মন্দিৰ ভাগবতঘৰৰ লগত সংযোগ হৈ দুখীয়া, আৰ্ত জনসাধাৰণৰ সহায়ক হৈ পৰিছিল। ৰাজ্যৰ এটি শক্তিশালী অনুষ্ঠান হিচাপে ইয়াৰ পৰৱৰ্তী সময়ত বিশেষকৈ কটক, পুৰী,তেঙ্কানল আদি জিলাৰ গাওঁবোৰত জনসাধাৰণৰ সুবিধাৰ বাবে পুনৰ গঢ়ি ভাগবত ঘৰ গঢ়ি উঠিল । গণতান্ত্ৰিক আদৰ্শ আগত ৰাখি ভাগবত ঘৰ প্ৰতিষ্ঠা হৈছিল যদিও  সাধাৰণ গোট এটিয়ে ইয়াৰ কাম-কাজ আৰু ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে সিদ্ধান্ত লোৱা কথাটি পাছলৈ ডেকাসকলে মানি ল’বলৈ টান পালে।গতিকে আগ্ৰহী লোকৰ অভাৱ ,ভাগবতঘৰৰ সংখ্যাধিক অদক্ষ গ্ৰামবাসী  সদস্য হোৱা আৰু তেওঁলোকক

মহাজন,ধনীব্যক্তি ব্যৱসায়ীয়ে দমন কৰা, হৰিজন বা আন নিম্ন জাতিৰ লোকৰ বাবে সুকীয়াকৈ আসনৰ ব্যৱস্থা কৰা , পঞ্চায়তে লঘিষ্ঠ সংখ্যক লোককো কেতিয়াবা সিংহাসনৰ দায়িত্ব দিয়াত ক্ষুন্ন হৈ সাধাৰণ মানুহে এনে দমন নীতিৰ বিৰোধীতা কৰিবলৈ ল'লে।।

**ভাগবতঘৰৰ কাৰ্যসূচী আৰু সেৱা ঃ**

মধ্যযুগীয় ওড়িশাৰ ধৰ্মীয় তথা সামাজিক অনুষ্ঠান ভাগবতঘৰ বা টুঙ্গি, যিয়ে সাধাৰণ মানুহৰ কল্যাণৰ বাবে সহযোগ কৰে। অৱশ্যে কেতিয়াবা দুৰ্বল শাখা কিছুমানৰ বাবে কেবল নামটিহে ৰৈছেগৈ। কাৰ্যকৰী সদস্যৰ সহায়ত সমাজকল্যাণৰ কাম হিচাপে ভাগবতঘৰে বিশেষকৈ এইবোৰ কাৰ্য সাধন কৰে,

১) নীতিগত শক্তিৰ উন্নতিকৰণ

২) দৈনন্দিন ওড়িআ ভাগবত ,ৰামায়ণ, মহাভাৰত আদি শ্ৰবণ-কীৰ্তনৰ ব্যৱস্থা

৩) গাওঁ এখনৰ সকলো সম্প্ৰদায়ৰ লোকৰ বাবে বহাৰ ব্যৱস্থা

৪) সামূহিক উন্নয়নমূলক কামৰ বাবে বৰঙণি আদায়

৫) পথ,জলসিঞ্চন, কুঁৱা, দমকল,খোৱাপানীৰ ব্যৱস্থা আদিৰ বাবে যোগাৰ কৰি দিয়া

৬) গাঁৱৰ পাঠশালাৰ উন্নতিকৰণ আৰু সাধাৰণ দুখীয়া ছাত্ৰৰ বাবে উন্নত শিক্ষাৰ ব্যৱস্থা কৰা । গাৱৰ এই শিক্ষাকেন্দ্ৰই তত্বাৱধায়কৰ অভাৱ, ধনৰ অভাৱ, কিতাপৰ অভাৱ আদি দূৰ কৰি ছাত্ৰকল্যানৰ বাবে কাৰ্য কৰে।

৭) সামূহিক ভোজাদি, স্হানীয় যাত্ৰা পাৰ্টি আদি ধৰণৰ উৎসৱৰ বাবে স্হান দিয়া

৮) বাৰ্ষিক সভা-সমিতি,আলোচনা চক্ৰ , সমাৰোহ পতাৰ বাবে ব্যৱস্থা

৯) জনস্বাস্থ্য, চাফ-চিকুণৰ প্ৰতি দৃষ্টি ৰখা·

১০)    গাঁৱৰ সকলো সম্প্ৰদায়ৰ মাজত থকা বিবাদ মীমাংসাৰ চেষ্টা কৰা। সম্প্ৰদায়সমূহৰ মাজত থকা সংঘৰ্ষ সাধৰণভাৱে সিদ্ধান্ত ল'ব নোৱাৰিলে পঞ্চায়তৰ সহযোগ কৰা

১১)    ধনী গাঁওবাসীৰ প্ৰতি অনুৰোধ জনায় যাতে তেওঁলোকে অইন লোকৰ তুলনাত অধিক লেন-দেনত গুৰুত্ব দিয়ে।

১৩) নতুন সেৱাত পৰম্পৰাগত মনোবৃত্তি স্থানত নতুন কৌশলৰ প্ৰয়োগ কৰি উন্নয়নমূলক কামৰ প্ৰয়োজনীয়তাৰ প্ৰতি গাওঁবাসীক আকৰ্ষিত কৰা। শীঘ্ৰে এই ব্যৱস্থাসমূহ পাওনি কৰা

১৪) স্বেচ্ছামূলকভাৱে সেৱা আগবঢ়োৱা ৰাইজৰ তালিকা প্ৰস্তুকৰণত গুৰুত্ব

থকা

১৫) মাটি সম্পৰ্কীয় বিবাদ সমাধান কৰা

সেই সময়ৰ গাওঁবাসীৰ নিম্ন আয়ৰ বাবে যিকোনো প্ৰকাৰৰ আৰ্থ সামাজিক দিশৰ উন্নতিকৰণ সম্ভৱ নাছিল । অধিক পৰিমাণৰ গাওঁৰ উন্নতিমূলক কাম নকৰিলে গাঁৱৰ দুখ-দুৰ্দশা নিবাৰণ সম্ভৱ নহ'লে ভাগবতঘৰে আগভাগ লৈ তেনে কাৰ্যত সহায় কৰিছিল। ভাগবত ঘৰৰ কমিটিয়ে প্ৰয়োজনত মানুহক শাস্তিও প্ৰদান কৰিছিল।

অধ্যয়ন আৰু শিক্ষাৰ মন্দিৰ ৰূপ ভাগবত ঘৰত পবিত্ৰ মাহত একেৰাহে সাতদিনৰ বাবে ভাগবত পাৰায়ণ বা হৰিনাম কীৰ্তন কৰা হয় ।এই সপ্তাহত ভাগবত পাৰায়ণৰ লগতে অষ্টপ্ৰহৰ, চবিশ প্ৰহৰ,সমূহীয়া ভাগবত শ্ৰৱণ-কীৰ্তন,মেলা, উৎসৱ অনুষ্ঠিত হয়।এনে উৎসৱ অনুষ্ঠিত হ'লে মানুহৰ মাজত একতা স্থাপনত সহায়ক হয়। ভাগবত ঘৰে মানুহৰ মাজত জাতীয়তাৰ ভাৱ জাগৰণত সহায় কৰে। এই চাৰিবেৰৰ মাজত বহা সকলৰ সকলোৰ সম অধিকাৰ থাকে ।তেওঁলোকে নিজৰ মাজত থকা শত্ৰুতাৰ কথা পাহৰি গাঁৱৰ উন্নতিৰ কথা আলেচনা কৰে।গাঁওবাসীৰ মনোভাৱৰ মুকলি প্ৰকাশ কৰা স্থান

ভাগবত ঘৰত মৰম ভাতৃত্ব, ধনী-দুখীয়া ৰ পাহৰি, সকলোৰে প্ৰতি সহৃদয়তা দেখুৱাই নৈতিক শিক্ষাৰ কেন্দ্ৰ হিচাপে কাম কৰে। “” a large number of such institutions improved condition a great deal due to the co-operation and coordination of the villagers with the activities of the Bhagabat Ghar that could established support throughout the period and had set a memorable example of welfare work for the village people”.…”( Sukla : 1981 : 117)

অসমীয়া সমাজত নামঘৰৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি কৈ সামৰি থ'ব পৰা নাযায়।এই অনুষ্ঠানে সমাজৰ এটা দিশ চলাই নিবলৈ সক্ষম হৈছে। বছৰটিৰ ভিন ভিন সময়ত নামঘৰবোৰৰ পৰিসৰৰ ভিতৰত সভা,উৎসৱ,ভাওনা আদি অনুষ্ঠিত কৰা হয়। ইয়াত যথেষ্ট সংখ্যক দৰ্শকৰ ভিৰ পলিক্ষিত হয়। বৰ্তমান প্ৰচাৰ মাধ্যমে এইক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা লক্ষ্যণীয়।এইবোৰ নামঘৰত থকা সুদক্ষ পৰিচালনা কমিটীয়েহে নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে পৰিচালনা কৰে।।অৰ্থনৈতিক দিশত লাভান্বিত হোৱাও মন কৰিবলগীয়া ।আনহাতে ওড়িশাৰ ভাগবত ঘৰত জগন্নাথ বা কৃষ্ণৰ অৰ্চনা-বন্দনা কৰাত মনোনিবেশ কৰা হয়।ইয়াত নিৰ্দিষ্ট দিনত ভাগবত পাঠ, মেল, সভা হয় যদিও উৎসৱৰ আয়োজন কৰিব পৰা পৰিসৰৰ ব্যৱস্থা নথকা কথাটি উল্লেখযোগ্য।কেতিয়াবা জগন্নাথৰ মূৰ্ত্তিও সমুখত ৰখা দেখা যায়।ব্যক্তিগত গৃহৰ বাৰান্দাতো দুজন ব্যক্তি মিলিত হৈও পাঠ কৰা হৈছিল।জগন্নাথ দাসৰ ওড়িয়া ভাগবতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবেহে এই ব্যৱস্থাৰ উদ্ভাৱন হৈছিল।পৰিচালনা সমিতি জড়িত থকাতো তেওঁলোকৰ বাবে তেনে গুত্বপূৰ্ণ কথা নাছিল।অৱশ্যে আজিৰ তাৰিখত চৰকাৰে ব্যৱস্থা গ্ৰহণৰ সন্মতি দিয়াৰ পাচত নিশ্চয় পৰিচালনা সমিতি আৰু উৎসৱাদি পালনৰ দিহা নকৰাকৈ নাথাকিব। ওড়িশাত 'ভাগবত ঘৰ বা টুঙ্গি' পৰম্পৰাৰ অৱলুপ্তি ঘটিলেও ভদ্ৰক জিলাৰ কিস্মত কৃষ্ণপুৰ গাঁৱত এতিয়াও এই পৰম্পৰা জীয়াই আছে।

**সামৰণিঃ**

সভ্যতাৰ সৈতে ধাৰণা আৰু দৃষ্টিভঙ্গীৰ সলকিৰণ লক্ষ্যণীয় কথা।ওড়িশা আৰু অসমৰ প্ৰায় সমসাময়িক ভাবে নামঘৰ আৰু ভাগবতঘৰ বা ভাগবত টুঙ্গি নামৰ দুটি সামাজিক অনুষ্ঠানৰ প্ৰতিষ্ঠা হৈছিল।অসমত এককভাবে বৈষ্ণৱ আদৰ্শ প্ৰচাৰৰ বাবে নামঘৰ প্ৰতিষ্ঠা কৰি শৈক্ষিক দিশটোৰ প্ৰতিও মন দিয়া দেখা গৈছিল।পূৰ্বতে ধৰ্মীয়, ন্যায়িক,সাংস্কৃতিক ক্ষেত্ৰত নামঘৰৰ ভূমিকা অনবদ্য আছিল। বৰ্তমান সময়ত ইয়াৰ উদ্দেশ্যৰ পৰিবৰ্তন ঘটিছে।খ্ৰীষ্টিয়ানসকলৰ গীৰ্জা আৰু বৌদ্ধসকলৰ বিহাৰবোৰৰ সৈতে নামঘৰৰ প্ৰসঙ্গক ৰিজাব পাৰি।নামঘৰক পবিত্ৰ স্থান বুলি গণ্য কৰা হয়। আনহাতে জাত-পাতৰ বৈষম্যৰ পৰা ইয়াক আঁতৰত ৰখা হয় যদিও সম্প্ৰতি নামঘৰৰ ছবিখন তেনেকুৱা নে? পুৰুষ- মহিলাক একেলগে বহি নাম-প্ৰসঙ্গ কৰিবলৈ দিয়া নহয়। আনকি বৰপেটাৰ নামঘৰত মহিলাৰ প্ৰবেশ নিষিদ্ধ। নামঘৰ প্ৰতিষ্ঠাৰ অন্তৰালত এই ৰীতি-নীতিবোৰৰ বন্ধন আছিল নে?

ওড়িশাৰ ধাৰ্মিক ভূমিভাগ হ'ল সামাজিক-সাংস্কৃতিক সমন্বয় ক্ষেত্ৰ ।ওড়িশাৰ সাংস্কৃতিক বিভাগে ২০০৯ খ্ৰী:ত লোৱা সিদ্ধান্ত অনুসৰি পুৰণি ওড়িশাৰ সমাজখনৰ ভাগবতঘৰ বা টুঙ্গিসমূহ ভৱিষ্যতে বাৰ্তালাপৰ কেন্দ্ৰ তথা আলোচনা-সভা আদি অনুষ্ঠিত কৰাৰ থল হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। কোৱা হয় যে,শংকৰদেৱে তীৰ্থভ্ৰমণলৈ যাওঁতে জগন্নাথ ক্ষেত্ৰত নিজে দেখিছিল ওড়িশাবাসীৰ ওপৰত ভাগৱতঘৰৰ প্ৰভাৱ দেখি আচৰিত হৈছিল আৰু তাৰপৰা আহি অসমত নামঘৰ-সত্ৰ অনুষ্ঠান আৰম্ভ কৰাৰ প্ৰেৰণা পাইছিল। কিন্ত সেই সময়ত জগন্নাথ দাসৰ বয়স ২ বা ৩ বছৰহে হ'ব।ওড়িশাৰ ভাগবত ঘৰ মানে জগন্নাথ দাসৰ ভাগবত পাঠৰ বাবে যিকোনো এটি ঘৰত মিলিত হৈ গ্ৰামাঞ্চলৰ ৰাইজে শ্ৰৱণ-পাঠ কৰে অথবা ব্যক্তিগত ভাবেও নিজৰ গৃহৰ বাৰান্দাত বা কোনোবা ডাঙৰ বৃক্ষৰ তলতো শ্ৰৱণৰ ব্যৱস্থা কৰি লয়।গাঠনিক দিশৰ নিৰ্দিষ্ট বিধি-ব্যৱস্থা এইক্ষেত্ৰত মন কৰা নাযায়। আনহাতে নামঘৰৰ গাঠনিক দিশত যথেষ্ট কঠোৰতা পালন কৰিবলগীয়া হয়। ইয়াত চৈধ্য প্ৰসঙ্গৰ লগতে অন্যান্য ৰীতি-নীতওও জড়িত হৈ আছে।শংকৰদেৱে যি উদ্দেশ্য আগত ৰাখি নামঘৰ স্থাপন

কৰিছিল; জগন্নাথ দাসে সেই উদ্দেশ্যত ভাগবতঘৰৰ পাতনি মেলা নাছিল।কেবল এইক্ষেত্ৰত বৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ সাদৃশ্য থকাটো লক্ষ্যণীয় আৰু সমাজৰ মঙ্গলদায়ক কৰ্ম কৰাটো উল্লেখনীয় কথা।তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি শংকৰদেৱে ওড়িয়া সমাজৰ পৰা লাভ কৰা চাৰি বছৰীয়া অভিজ্ঞতাখিনিৰ সৈতে শংকৰদেৱে অসমত নামঘৰ স্থাপনৰ পোষকতা কৰা কথাটিত চিন্তা-চৰ্চা কৰা বিষয়টিত অধিক অধ্যয়নৰ থল আছে।

**গ্ৰন্থপঞ্জী ঃ**


১) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিমল ফুকন (অনু,ছাইদুল ইছলাম), ২০১২, গুৱাহাট

২) আউনীআটী সত্ৰৰ বুৰঞ্জী তীৰ্থনাথ শৰ্মা, মাজুলী, ১৯৭৫

৩) কথা গুৰুচৰিত (সম্পা·) উপেন্দ্ৰচন্দ্ৰ লেখাৰু, দত্তবৰুৱা এণ্ড কোং, নলবাৰী, ১৯৬৮

৪) ওড়িয়া সাহিত্যৰ ইতিহাস সুৰেন্দ্ৰ কুমাৰ মহাৰাণা, কটক, ২০১৫

৫) নামঘৰ ,বুৰঞ্জী আৰু বিৰৰণ পুলিন কলিতা, অসম প্ৰকাশন পৰিষদ, ২০১৮

৬) Neo-Vaisnavite Movement and Sattra Institution of Assam S.N. Sarma,1999

৭) Life and Teachings of Mahapurus Sankardev Kesabananda Dev Goswami, 1999

৮) Early History of the Vaisnava faith and Movement in Assam, 1965

9) Orissa Review June, 2005

10) Srimanta Sankardeva Bharata BARISE ( Ed.) Bharat Ch. Kalita and Hemanta Dhing Mazumder, 2005

11) Early History of the Vaishnava Faith and Movement in Assam, Maheswar Neog 2008

১২) বি·বি শুক্লা “ ভাগবতঘৰ : এ মালটিফেৰিয়াচ অৰগেনাইজেচন অফ দা ভিলেজ কমিউনিটি ইন মেদিয়েভেল ওড়িশা (১৫১০ এ ডি-১৮০৩ এ ডি) –এ ক্ৰুটিকেল ষ্টাদি , অপ্ৰকাশিত থেচিচ।চম্বলপুৰ বিশ্ববিদ্যালয়,ওড়িশা১৯৮১

১৩) অজন্তা ওড়িআ অভিধান (সং) যমেশ্বৰ ৰথ , দিল্লী, ২০০৩

১৪) এৰাবাটৰ লেছেৰি উমেশ চন্দ্ৰ ডেকা,গুৱাহাটী, ২০১২

15)

16) The Saga of the land of Jagannatha Mayadhar Mansinha, Mass Media Pvt Ltd, Cuttack, 2010

১৭) শঙ্কৰী সংস্কৃতি, লীলা ভুঞা, মিত্ৰ এজেন্সি এণ্ড কোং,তিনিচুকীয়া,২০০১

১৮)  সত্ৰ সংস্কৃতিৰ ৰূপছায়া ঃ আচাৰ-ৰীতি আৰু উৎসৱ-অনুষ্ঠান  নিৰুপমা মহন্ত ,কোঁৱৰপুৰ বৰখাতপাৰ সত্ৰ,২০০১

**টোকা ঃ**
ভাগবত গাদি – নিৰ্দ্দিষ্ট আসনত ৰাখি পূজা কৰা ভাগবতগ্ৰন্থ;
ভাগবতঘৰ- যি নিৰ্দ্দিষ্ট বা সাধাৰণ ঘৰত ভাগবত গাদি ৰখা হয়;
ভাগবত গোসাঁই- দেৱতাৰূপে পূজা কৰি থকা ভাগবত গাদি;
ভাগবত মেলন- বিভিন্ন স্থানত পূজা পোৱা ভাগবত গাদিবোৰ দোলাত নি সন্মিলিত হোৱা বাৰ্ষিক যাত্ৰা বা উৎসৱ;
ভাগবত বড়া- সপ্তাহজোৰা ভাগবত পাঠ সমাপ্ত হোৱাৰ পাছত নৈবেদ্য বিলাই দিয়া উৎসৱ।
(অজন্তা ওড়িআ অভিধান, ২০০৩, পৃ: ১১৮৮)
টুঙ্গি  সৰু ঘৰ ; ভাগবত টুঙ্গি মানে ভাগবত গ্ৰন্থ থোৱা সৰু ঘৰ ,,  পৃ:  ৫৯৭

========================================